অসম বিধান সভা ২০১৭
তৰাচিহ্নিত প্ৰশ্ন নং : ৩০৮
উত্তৰ দানৰ তাৰিখ : ০৮/০৩/২০১৭
বিষয় :- ধান উৎপাদন।
বিধায়কৰ নাম :- শ্ৰী অশ্বিনী ৰায় সৰকাৰ :

-: প্ৰশ্ন :-

মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) বছৰি অসমত কিমান পৰিমাণৰ ধান উৎপাদন হয় আৰু কিমান পৰিমাণৰ ধান চাহিদা পূৰণৰ বাবে প্ৰয়োজন ?

(খ) ধুবুৰী জিলাত বছৰি কিমান পৰিমাণে ধান উৎপাদন হয় ? ইয়াৰে গোলকগঞ্জ সমষ্টিত কিমান ধান উৎপাদন হয় ?

(গ) অসমত বছৰি কিমান পৰিমাণৰ আলুৰ প্ৰয়োজন হয়, ইয়াৰে কিমানখিনি অসমত উৎপাদন হয় ?

(ঘ) আলু উৎপাদন আৰু সংৰক্ষণৰ বাবে চৰকাৰে কি ব্যৱস্থা হাতত লৈছে ? কেতিয়াৰ পৰা ৰাজ্যত আলু আমদানিৰ প্ৰয়োজন নহ'ব ?

(ঙ) অসমত কেইটা চৰকাৰী আৰু বেচৰকাৰী হিমঘৰ আছে ? ইয়াৰে কেইটা ধুবুৰী জিলাত আছে ?

(চ) চৰকাৰে অনুগ্ৰহ কৰি গোলকগঞ্জত এটা হিমঘৰ দিবনে ? যদি দিয়ে কেতিয়া দিব ?

-: উত্তৰ :-

মাননীয় কৃষি বিভাগৰ মন্ত্ৰী শ্ৰী অতুল বৰা মহোদয়ে উত্তৰ দিব :-

(ক) অৰ্থনীতি আৰু পৰিসংখ্যা বিভাগ, অসমৰদ্বাৰা প্ৰকাশিত ২০১৫-১৬ বৰ্ষৰ ফাইনেল ফৰকাষ্ট ৰিপৰ্টৰ তথ্যমতে অসমত বছৰি ৫০.০৬ লাখ মেট্ৰিকটন ধান উৎপাদন হয় আৰু ২০১৬-১৭ বৰ্ষৰ চাহিদা পূৰণৰ বাবে ৭৬.৭৭ লাখ মেট্ৰিকটন ধানৰপ্ৰয়োজন।

(খ) অৰ্থনীতি আৰু পৰিসংখ্যা বিভাগ, অসম ২০১৫-১৬ বৰ্ষৰ ফাইনেল ফৰকাষ্ট ৰিপৰ্টৰ মতে ধুবুৰী জিলাত ৩.৬২ লাখ মেট্ৰিকটন ধান উৎপাদন হয়। সমষ্টি ভিত্তিত ধান উৎপাদন হিচাপ প্ৰকাশিত নহয় বাবে গোলকগঞ্জ সমষ্টিত ধান উৎপাদনৰ তথ্য দিব পৰা নগ'ল।

(গ) অসমত বছৰি প্ৰায় ৩০.০০ লাখ মেট্ৰিকটন আলুৰ প্ৰয়োজন হয় আৰু ইয়াৰে মাত্ৰ ১২.০০ লাখ মেট্ৰিকটন আলুহে ৰাজ্যখনত উৎপাদন হয়।

(ঘ) আলুৰ উৎপাদন বৃদ্ধিৰ বাবে ৰাষ্ট্ৰীয় কৃষি বিকাশ যোজনাৰ অধীনত ২০১৪-১৫ বৰ্ষৰ পৰা অধিক উৎপাদনক্ষম উন্নত জাতৰ যেনে কুফ্ৰি হিমালিনি, কুফ্ৰি পোখৰাজ, কুফ্ৰি খ্যাতি আলুৰ বীজ বিতৰণ কৰি থকা হৈছে। সেইদৰে আলু আৰু আলুৰ বীজৰ বাবেও শীতল ভঁৰাল স্থাপনত গুৰুত্ব দি বিভিন্ন জনক ৰাজসাহায্য লাভৰ দিকদৰ্শন কৰি উৎসাহিত কৰা হৈছে। বহিৰাজ্যৰ পৰা অসমলৈ আলুৰ আমদানি ক্ৰমান্বয়ে হ্ৰাস কৰি আনিবলৈ হলে উন্নত জাতৰ বীজৰ যোগান, প্ৰশিক্ষণ আৰু সংৰক্ষণ ব্যৱস্থাৰ ওপৰত অগ্ৰাধিকাৰ দি অগ্ৰসৰ হলে আগন্তুক দহোটা বছৰত ততোধিক আশানুৰূপ ফল লাভৰ আশা কৰিব পৰা যায়।

(ঙ) অসমত চৰকাৰী আৰু বেচৰকাৰী খণ্ডৰ মিলি মুঠ ৪৩ টা শীতল ভঁৰাল আছে। ইয়াৰে এটাও শীতল ভঁৰাল ধুবুৰী জিলাত নাই। অসম ৰাজ্যিক কৃষি বিপনন পৰিষদৰ অধীনত অসমত চাৰিটা হিমঘৰ আছে।

(চ) [illegible]